Assamese

eklavya

# নাঁও...

এটা চিত্ৰকথা



বি. চুতেয়েভ

# নাঁও...



চিত্ৰ আৰু কাহিনী
বি. চুতেয়েভ

eklavya

# নাঁও...

## Nawloi...

A picture story

Text & Illustrations: V. Suteyev
Assamese Translation: Ayang Trust & The Hummingbird School family
Assamese Consultant: Ayang Trust & The Hummingbird School family
EditorialSupport: Isha Badkas, Indu Nair & Shivnarayan Gour

The story and illustrations in this book are licensed under the Creative Commons license Attribution-Non-Commercial-NoDerivatives 4.0 International (CC BY-NC-ND 4.0) as in https://creativecommons.org/licenses/by-nc-nd/4.0/

You are free to copy and distribute the story and the illustrations with no change for non-commercial purposes with attribution to the original author, illustrator and publisher. For any other kind of permissions, including remixing, transforming or building upon the story or the illustrations in this book, the author and illustrator must be contacted through the publisher.

Developed with financial support from the H T Parekh Foundation.

Edition: January 2024 (1000 copies)
Paper: 100 gsm Maplitho and cover 220 gsm FB Board
ISBN: 978-81-19771-28-8
Price: ₹ 40.00

Published by: **Eklavya Foundation**
Jamnalal Bajaj Parisar, Jatkhedi, Bhopal (MP) 462 026
Phone: +91 755 297 7770-71-72
Website: www.eklavya.in; Email: books@eklavya.in

Printed at: Box Corrugators & Offsets printer, Bhopal (MP), Phone: +91 755 258 7651

# নাঁও...



এটা ভেকুলী, এটা কুকুৰাৰ পোৱালি, এটা নিগনি, এটা পৰুৱা আৰু এটা গুবৰুৱাই মিলি খোজ কাঢ়িবলৈ গৈছিল।

গৈ থাঁকোতে থাঁকোতে  সিহঁত পুখুৰীৰ পাৰত পালেগৈ।



“আহা,” আমি সাঁতুৰো বুলি কৈ ভেকুলী পানীত জঁপিয়াই পৰিল।



“কিন্তু আমি সাঁতুৰিব নাজানো,” কুকুৰাৰ পোৱালি, নিগনি, পৰুৱা আৰু গুবৰুৱাই ক’লে।

“টোৰ টোৰ টোৰ। পিছে তোমালোকৰতো ইয়াত একো কাম নাই।”

ভেকুলীয়ে হাঁহিলে আৰু সি হাঁহিয়েই থাকিল। সি ইমানেই হাঁহিলে তাৰ উশাহ বন্ধ হ’বলৈ ধৰিলে।



কুকুৰাৰ পোৱালি, নিগনি, পৰুৱা আৰু গুবৰুৱাৰ বহুত বেয়া লাগিল। সিহঁতে কিবা এটা উপায় ভাবিবলৈ ধৰিলে।

সিহঁতে ভাবিয়ে আছে, ভাবিয়ে আছে, ভাবিয়েই আছে আৰু সিহঁতে ভাবি এটা বুদ্ধি উলিয়ালে।



কুকুৰাৰ পোৱালিটো গ’ল
আৰু সোনকালে এখিলা
গছৰ পাত লৈ আনিলে।



নিগনিটোৱে এটা
বাদামৰ বাকলি লৈ
আনিলে।



পৰুৱাই এডাল কাঠি লৈ আনিলে।

আৰু গুবৰুৱাই এডাল দীঘল
ক'লা সূতাৰ টুকুৰা লৈ আনিলে।





তাৰ পিছত সকলোৱে কামত লাগিল। সিহঁতে কাঠিডাল বাদামৰ বাকলিৰ ভিতৰত ভৰাই দিলে আৰু পাতটো সূতাৰে বান্ধি দিলে। এক মিনিটতে সিহঁতে এখন ধুনীয়া নাঁও বনালে।



সিহঁতে নাঁওখন পানীলৈ ঠেলি দিলে আৰু নাঁৱলৈ বগাই গ'ল।
আৰু যাবলৈ ধৰিলে সিহঁতৰ নাঁও...



ভেকুলীটোৱে মুৰটো
পানীৰ বাহিৰলৈ
উলিয়ালে। সি পুনৰ
হাঁহিম বুলি ভাবিছিল,
কিন্তু নাঁওখন বহুত
দূৰলৈ গুছি গ'ল।

ইমানেই দূৰলৈ গ'ল যে সি আৰু
সিহঁতৰ ওচৰলৈ যাব নোৱাৰে।




eklavya
H T Parekh FOUNDATION
An Initiative by HDFC
WITH YOU, RIGHT THROUGH
Price: ₹ 40.00
9 788119 771288